# কৃতজ্ঞতা স্বীকাৰ

“শ’ল’গুৰি মৌজাৰ নাৰী-ভাষা ঃ এক সমাজ ভাষা-বৈজ্ঞানিক অধ্যয়ন” শীৰ্ষক বিষয়টি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ এম. ফিল পাঠ্যক্ৰমৰ গৱেষণা গ্ৰন্থৰ বিষয় হিচাপে নিৰ্বাচন কৰি ক্ষুদ্ৰ গৱেষণা গ্ৰন্থখন যুগুত কৰা হৈছে। এই গৱেষণা গ্ৰন্থখনি প্ৰস্তুত কৰোঁতে গৱেষণা কাৰ্যৰ বিষয়ে নিৰ্বাচন কৰাৰ পৰা পাণ্ডুলিপিৰ পূৰ্ণতা প্ৰাপ্তিলৈকে মোৰ গৱেষণা কৰ্মৰ তত্ত্বাৱধায়িকা তথা বিভাগীয় প্ৰধান ড° বিভা ভৰালী বাইদেৱে পদে-পদে প্ৰয়োজনীয় পৰামৰ্শ দি সহায়-সহযোগিতা আগবঢ়াইছে। বাইদেউৰ সহায় অবিহনে গ্ৰন্থখনৰ পূৰ্ণতা প্ৰাপ্তি সম্ভৱ নহ’লহেঁতেন। এই আপাহতে বাইদেউলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তদুপৰি পাঠ্যক্ৰমৰ সময়ছোৱাত উৎসাহ প্ৰদান কৰা ড° দীপ্তি ফুকন পাটগিৰি বাইদেউ তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সকলো শিক্ষাগুৰুলৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাচিছোঁ।

শ’ল’গুৰি মৌজাত প্ৰচলিত মহিলাসকলৰ ভাষাৰ বিভিন্ন দিশ অধ্যায়নত ক্ষেত্ৰ অধ্যয়নৰ প্ৰয়োজন সৰ্বাধিক। এই ক্ষেত্ৰ অধ্যয়নৰ সময়ছোৱাত সহায় আগবঢ়োৱা জয়জ্যোতি গগৈ, মহেন্দ্ৰ ভূঞা, পুণ্যলতা সন্দিকৈ, প্ৰেম গগৈ আৰু ক্ষেত্ৰ অধ্যয়নত সংক্ষিপ্ত প্ৰশ্নোত্তৰ যুগুত কৰোঁতে সহায় কৰা শ’ল’গুৰি মৌজাৰ তথ্যদাতা সকলো মহিলালৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাইছোঁ।

সৰু কালৰে পৰা শিক্ষাৰ বিভিন্ন দিশত উৎসাহ আৰু সহায় আগবঢ়োৱা মোৰ পূজনীয়া মাতৃ দেৱজিতা গগৈ, স্বৰ্গীয় পিতৃ অমৃত গগৈ আৰু বাইদেউ অমৃতা গগৈলৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাইছোঁ। এম. ফিল পাঠ্যক্ৰমৰ সময়ছোৱাত বিশেষভাৱে উৎসাহ যোগোৱা ধৰ্মজ্যোতি বৰুৱালৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এওঁলোক সকলোৰে পৰামৰ্শ, উৎসাহ আৰু সহায় অবিহনে এই গৱেষণা গ্ৰন্থখন সম্পূৰ্ণ নহ’লহেঁতেন।

সদৌ শেষত মোৰ এম. ফিল পাঠ্যক্ৰমৰ সহপাঠী ডলী বৰুৱা তথা আন আন সহপাঠী সকলৰ লগতে মোৰ গ্ৰন্থখন ডি. টি. পি কৰি দিয়া শ্বৰিফলৈ কৃতজ্ঞতা আৰু শলাগ যাচিছোঁ।

(মধুস্মিতা গগৈ)
অসমীয়া বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়